**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰত হোৱা গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে শীঘ্ৰে ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ আশ্বাস। প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসমৰ বান বিষয়ক মানচিত্ৰ মুকলি।

৩। লোকপিয়ল ২০২৭ৰ আনুষ্ঠানিক অধিসূচনা জাৰি।

৪। অসম আৰু নাগালেণ্ডৰ সীমা সমস্যা মহাকাশ প্ৰযুক্তিৰে শান্তিপূৰ্ণভাৱে সমাধান কৰা হ'ব বুলি কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙৰ প্ৰকাশ। *আৰু*

৫। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'ব মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চাৰিখন খেল।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা তেল আৰু প্ৰাকৃতিক গেছ্ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছ্ নিৰ্গমন থলীত উপস্থিত হৈ আশ্ৰয় শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে অনতি পলমে ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰে। ভটীয়াপাৰ বনগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তাত থকা লোকসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বুজ লয়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেলৰ ৰীগটো পৰিচালনা কৰা ব্যক্তিগত খণ্ডৰ এছ্ কে পেট্ৰ' নামৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে তদন্ত ঘোষণা কৰে। ড০ শৰ্মাই ঘটনা সন্দৰ্ভত অ' এন জি চিৰ শীৰ্ষ বিষয়াৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে বুলিও উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে আৰু প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰিব। তৈল প্ৰতিষ্ঠানটোৰ অধ্যক্ষৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি উল্লেখ কৰে। এই ঘটনাৰ বাবে অঞ্চলটোৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা ৰাজ্য চৰকাৰে উপলব্ধি কৰিছে আৰু তেওঁলোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। এই পৰিদৰ্শনৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰী বিমল বৰা, পৰিবহন মন্ত্ৰী যোগেন মহন, খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰয়ৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু অ' এন জি চিৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, গেছ্ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা চলি থকাৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণ তথা পশুধনৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক কৰি থকা হৈছে। তদুপৰি ঘটনাস্থলীৰ নিকটৱৰ্তী নাগৰিকসকলক বিশুদ্ধ খোৱাপানী আৰু আহাৰ যোগান ধৰি থকা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অঞ্চলটোত

স্বাস্থ্য শিবিৰো মুকলি কৰিছে। জিলা অগ্নি নিৰ্বাপক বাহিনী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অগ্নি নিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত গেছ নিৰ্গমন ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে। যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে।

ইপিনে, এই ঘটনাৰ প্ৰতিবাদত কালি অসমীয়া যুৱ মঞ্চই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। সংগঠনটোৱে এছ কে পেট্ৰ'ল নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে এজাহাৰ জাখিল কৰিছে। অঞ্চলটোৰ ৰাইজে ততালিকে এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি অসমৰ বান বিষয়ক এখন মানচিত্ৰ মুকলি কৰে। উপগ্ৰহৰ তথ্যৰ সহায়ত ৰাজ্যৰ বান ব্যৱস্থাপনা গঢ়ি তোলাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ কেন্দ্ৰই ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অনুৰোধ মৰ্মে ১৯৯৮ৰ পৰা ২০২৩ চনলৈকে উপগ্ৰহৰ চিত্ৰ ব্যৱহাৰ কৰি যুগুত কৰা মানচিত্ৰখন শ্ৰীশ্বাহে কালি নতুন দিল্লীত মুকলি কৰে। মানচিত্ৰখন মুকলি কৰি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে বান নিয়ন্ত্ৰণ, জৰুৰীকালীন পৰিকল্পনা, শস্য বীমা আৰু বানৰ সময়ছোৱাত আশ্ৰয়শিবিৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ই সহায়ক হ'ব। দেশৰ ভিতৰতে অসম বান ক্ষতিগ্ৰস্ত ৰাজ্যৰ অন্যতম বুলি উল্লেখ কৰি এইক্ষেত্ৰত নিয়মীয়া পৰ্যবেক্ষণ আৰু সময় উপযোগী ব্যৱস্থা গ্ৰহণ অতিকৈ প্ৰয়োজনীয় বুলি শ্ৰীশ্বাহে মন্তব্য কৰে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে জৰুৰীকালীন সেৱাৰ বাবে এটা সংহত নিয়ন্ত্ৰণ কক্ষ আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনাৰ এটা মোবাইল এপ্লিকেচনো মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপক আদৰণি জনাইছে। এই মানচিত্ৰৰ সহায়ত বান ক্ষতিগ্ৰস্ত অঞ্চলৰ উন্নয়ন সাধন, স্থিতিস্থাপক কৃষি ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু ফচল বীমা আঁচনিৰ দ্বাৰা কৃষকক সুফল দিয়াত সহায় হ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

২০১১ চনৰ পাছত দুটা পৰ্যায়ত ভাৰতত প্ৰথমটো লোকপিয়ল অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত দেশৰ মহাপঞ্জীয়কে জাৰি কৰা অধিসূচনা গৃহ মন্ত্ৰালয়ৰ অধীনৰ ৰাজপত্ৰিকাত প্ৰকাশ পাইছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ঘোষণা কৰা অনুসৰি লাডাখৰ দৰে তুষাৰপাত হোৱা ৰাজ্যৰ বাবে ২০২৬ চনৰ ১ অক্টোবৰ আৰু দেশৰ আন ৰাজ্যৰ বাবে ২০২৭ৰ ১ মাৰ্চৰ পৰা এই পিয়ল আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ত **হাউছ লিষ্টিং অপাৰেচন**ৰ অধীনত সম্পত্তি, পাৰিবাৰিক আয়, আৱাসৰ অৱস্থা, সা-সুবিধা আদি তথ্য সংগ্ৰহ কৰা হ'ব। এই পিয়ল প্ৰথমবাৰৰ বাবে ডিজিটেল মাধ্যমত হ'ব আৰু নাগৰিকসকলে ঘৰৰ পৰাই প্ৰশ্নৰ উত্তৰ দিব পাৰিব। দ্বিতীয় পৰ্যায়ত **পপুলেচন এনুমাৰেচন**ৰ অধীনত জনগাঁথনি, আৰ্থসামাজিক, সাংস্কৃতিক আৰু আন ব্যক্তিগত তথ্য সংগ্ৰহ কৰা হ'ব। স্বাধীনতাৰ পাছত প্ৰথমবাৰলৈ জাতিভিত্তিক পিয়ল কৰা হ'ব। যোৱা এপ্ৰিলত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে জাতিভিত্তিক পিয়ল লোকপিয়লৰ অংশ হ'ব বুলি ঘোষণা কৰিছিল। লোকপিয়ল ২০২৭ৰ ঘোষণাই মহিলাৰ সংৰক্ষণ বিধেয়ক আৰু সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ বাট প্ৰশস্ত কৰিব। কিয়নো এই লোকপিয়লৰ সমাপ্তিৰ পাছত সমষ্টি পুনৰ নিৰ্ধাৰণ হ'লেহে লোকসভা আৰু বিধানসভা সমূহত এক-তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা থকা মহিলাৰ সংৰক্ষণ

বিধেয়ক কাৰ্যকৰী হ'ব। এই লোকপিয়ল প্ৰক্ৰিয়াত ১৩ হাজাৰ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰি দিয়া হৈছে। প্ৰায় ৩৫ লাখ বিষয়া-কৰ্মচাৰী এই প্ৰক্ৰিয়াত নিয়োজিত হ'ব।

০০০০০০

অসম আৰু নাগালেণ্ডৰ সীমা সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা অব্যাহত আছে আৰু মহাকাশ প্ৰযুক্তি তথা উপগ্ৰহৰ প্ৰতিবিম্বৰ সহায়ত এই সমস্যাৰ শান্তিপূৰ্ণ সমাধান উলিওৱা হ'ব। কেন্দ্ৰীয় বিজ্ঞান প্ৰযুক্তি আৰু ভূবিজ্ঞান দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কালি নাগালেণ্ডত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শীঘ্ৰে এই সমস্যাৰ সমাধান হোৱাৰ পথ প্ৰশস্ত হ'ব। দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ অহা মন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যখনত **এখন জিলা এবিধ সামগ্ৰী** কাৰ্যসূচীৰ অধীনত ৫ বছৰীয়া এখন ভৱিষ্য নথি মুকলি কৰে। ওখা জিলাত কল খেতিৰ জৰিয়তে উপাৰ্জন বৃদ্ধি শীৰ্ষক এই ভৱিষ্য নথি মুকলি কৰি মন্ত্ৰীগৰাকীয়ে নাগালেণ্ডৰ লগতে সমগ্ৰ উত্তৰ-পূবৰ ৰূপান্তৰকামী যাত্ৰাৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত দশকটোত উত্তৰ-পূবত ঔদ্যোগিক কামকাজ বৃদ্ধি পোৱাৰ লগতে চাকৰিৰ সুযোগো বৃদ্ধি হৈছে। তেওঁ ৰাজ্যখনত মাদকদ্ৰব্য প্ৰচলন ৰোধ কৰাৰ বাবে মিজোৰামৰ আৰ্হিত তৃণমূল স্তৰৰ পৰা মাদকদ্ৰব্য বিৰোধী অভিযান চলাবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত বাঢ়ি অহা হাতী-মানুহৰ সংঘাটৰ কথা উল্লেখ কৰি এই সমস্যাৰ দীৰ্ঘ ম্যাদী সমাধান উলিওৱাৰ বাবে এখন কেন্দ্ৰীয় বৈঠক অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ড০ সিঙে জল সংৰক্ষণ আৰু সম্পদ ব্যৱস্থাপনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০

ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাক কালি সাংসদ পুঁজি ব্যয় কেলেংকাৰীৰ গোচৰত মুখ্যমন্ত্ৰী বিশেষ তদাৰকী কোষে সোধাপোছা কৰে। দিনৰ প্ৰায় চাৰে ১১ বজাৰ পৰা সন্ধিয়া পাঁচ বজালৈ তদন্তকাৰী সংস্থাটোৱে সাংসদগৰাকীক বিভিন্ন বিষয়ক লৈ প্ৰশ্ন কৰে। জেৰাৰ সময়ছোৱাত সাংসদ ভূঞাই তদাৰকী কোষক সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়ায়। ২০২২ চনত সাংসদ পুঁজি ব্যয় কেলেংকাৰী সন্দৰ্ভত তেওঁৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰা হৈছে। তদন্তকাৰী সংস্থাটোৱে সোধা প্ৰশ্নৰ সন্দৰ্ভত তেওঁ কয়------

**(বাইট ঃ অজিত কুমাৰ ভূঞা)**

০০০০০০

ছ'চাইটী অৱ কোৰিয়ান পয়েটছে আয়োজন কৰা **ছিউল ৱৰ্ল্ড এক্সপ'-২০২৫** লৈ বিশিষ্ট কবি, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন কেন্দ্ৰ সঞ্চালক ৰাজীৱ বৰুৱা আমন্ত্ৰিত হৈছে। অহা ২৯ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈ ছিউলৰ কনকুক বিশ্ববিদ্যালয়ত কবিতা আৰু সাহিত্যৰ এই আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ অনুষ্ঠিত হ'ব। **মানৱতা আৰু শান্তি** শীৰ্ষক কেন্দ্ৰীয় বিষয় লৈ আয়োজন কৰা মহোৎসৱৰ এই বৰ্ষত কবি ৰাজীৱ বৰুৱাই কবিতা পাঠৰ লগতে বক্তৃতাও দিব। কেইবাটাও অসমীয়া কবিতা সংকলনেৰে অসমীয়া কাব্য সাহিত্যক চহকী কৰা ৰাজীৱ বৰুৱা **ছিউল ৱৰ্ল্ড এক্সপ'** লৈ আমন্ত্ৰিত হোৱা প্ৰথমগৰাকী অসমীয়া কবি।

০০০০০০

অহা ৩০ ছেপ্তেম্বৰৰ পৰা ভাৰতত হ'বলগীয়া ভাৰতত অনুষ্ঠিত হ'বলগীয়া মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে সময়সূচী ঘোষণা কৰা হৈছে। ভাৰতীয় ক্ৰিকেট কণ্ট্ৰোল ব'ৰ্ডে জানিবলৈ দিয়া মতে

এই প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ চাৰিখন খেল গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। বৰ্ডৰ সচিব দেৱজিৎ শইকীয়াই কয়, যে বৰ্ষাপাৰা ষ্টেডিয়ামত ৭ অক্টোবৰত ইংলেণ্ড আৰু বাংলাদেশৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হোৱাৰ লগতে ১১ অক্টোবৰত ইংলেণ্ড বনাম শ্ৰীলংকা, ২৩ অক্টোবৰত ভাৰত বনাম নিউজিলেণ্ড আৰু ২৬ অক্টোবৰত ইংলেণ্ড বনাম নিউজিলেণ্ডে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। তেওঁ লগতে কয়, যে ২৯ অক্টোবৰত প্ৰথমখন চেমিফাইনেল অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে যদিও খেলখন গুৱাহাটীত হ'ব নে এই সন্দৰ্ভত এতিয়াও নিশ্চিত হোৱা নাই।

০০০০০০

গুৱাহাটীৰ বেলতলা মৌজাৰ সৰুসজাইৰ ২৮ বিঘা ম্যাদী মাটি অসম চৰকাৰে অধিগ্ৰহণ কৰাৰ বাবে প্ৰস্তুতি চলাইছে। এই সন্দৰ্ভত কালি দিছপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মাটিৰ গৰাকী পৰিয়ালসমূহৰ সদস্যসকল চৰকাৰৰ প্ৰতিনিধিৰ সৈতে আলোচনা মিলিত হয় যদিও কোনো সমাধান সূত্ৰ নোলাল। অসমীয়া প্ৰতিদিন কাকতে সবিস্তাৰে এই বাতৰি প্ৰকাশ কৰিছে।

অসমৰ বান নিয়ন্ত্ৰণ, জৰুৰীকালীন পৰিকল্পনা, শস্য বীমা আৰু আশ্ৰয় পৰিকল্পনাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যৰ বান সংকট বিষয়ক মানচিত্ৰ উন্মোচন কৰে। এই বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

ক্ৰমাৎ তীব্ৰতৰ হৈ পৰা ইজৰাইল-ইৰাণৰ যুদ্ধৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে। তেহৰানত ছাত্ৰ-ছাত্ৰীসহ ১০ হাজাৰ ভাৰতীয় আবদ্ধ হৈ আছে। ইফালে যুদ্ধৰ বাবে ইজৰাইলত ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰাৰ বাতৰি কাকতখনে প্ৰকাশ কৰিছে।

সাংসদ পুঁজিৰ কেলেংকাৰিৰ গোচৰত সাংসদ অজিত কুমাৰ ভূঞাক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে জেৰা চলোৱাৰ বাতৰিটো আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

উদ্যোগীকৰণৰ নামত অসম চৰকাৰে তেজপুৰ ৰাজহ চক্ৰৰ ২ হাজাৰ ৮৭০ হেক্টৰ ভূমিৰ বনাঞ্চলৰ স্বীকৃতি প্ৰত্যাহাৰ কৰিছে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰো স্বীকৃতি বাতিল কৰা হৈছে। এই বাতৰি দৈনিক অগ্ৰদূত কাকতৰ।

কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰত ১১০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা, ভূমি পূজন আৰু উদ্বোধন কৰে। এই বাতৰি নিয়মীয়া বাৰ্তা কাকতৰ।

অসমীয়া খবৰ কাকতে সুদীৰ্ঘ ডেৰ দশকৰ পাছত দেশত লোকগণনা অনুষ্ঠিত কৰিবলৈ লোৱাৰ এটা বাতৰি প্ৰকাশ কৰিছে। প্ৰথমবাৰৰ বাবে এই লোকপিয়লত ডিজিটেল মাধ্যম ব্যৱহাৰ হোৱাৰ লগতে জাতি-উপজাতিসকলৰ তথ্য অন্তৰ্ভুক্ত হ'ব।

ইৰান আৰু ইজৰাইলৰ মাজত চলি থকা যুদ্ধৰ ফলশ্ৰুতিত বিশ্ব বজাৰত খাৰুৱা তেলৰ মূল্য বৃদ্ধিৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰভাৱ ভাৰততো পৰিব বুলি দি আছাম ট্ৰিবিউন কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

গোৱালপাৰা জিলাৰ হাচিলাবিলত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানত ১৫ শ বিঘা ভূমি দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰা হৈছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।০০০০০০০ ০০০০০০

সমাপ্ত